ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# কাটাঝাৰ পৰিৱেশ উন্নয়ন সমিতি,

বাঁশবাৰী বনাঞ্চলিক

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৭-১৮ৰ পৰা ২০২৬-২৭ লৈ)

**কাটাঝাৰ পৰিৱেশ উন্নয়ন সমিতিৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) আৰু (CML) ]**

মে', ২০১৭

Field Director Manas Tiger Project
Barpeta Road,Assam

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| বি টি চি | বডোলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| জি আই এছ ( GIS) | ভৌগলিক তথ্য পদ্ধতি (জিঅ'গ্ৰাফিকেল ইনফ'ৰমেছন ছিষ্টেম) |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই (IIE) | ভাৰতীয় উদ্যোগিক প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব ইণ্টাৰপ্ৰিনাৰচিপ) |
| ই ডি চি (EDC) | জৈৱ উন্নয়ন সমিতি (ইক' ডেভেলাপমেণ্ট কমিটী) |
| কেজি (Kg) | কিলোগ্ৰাম |
| মানাহ এন পি | মানাহ ৰাষ্ট্ৰীয় উদ্যান |
| মানাহ টি পি | মানাহ ব্যাঘ্ৰ প্ৰকল্প |
| কেএম (Km) | কিলোমিটাৰ |
| এনজিঅ' (NGO) | বেচৰকাৰী সংগঠন |
| এনটিএফপি (NTFP) | নন টিম্বাৰ ফ'ৰেষ্ট প্ৰডাক্ট |
| পিডিএছ (PDS) | ৰাজহুৱা বিতৰণ ব্যৱস্থা |
| পিআৰএ (PRA) | পাটিচিপেটৰী ৰুৰেল এপ্ৰাইজেল |
| আৰএছ (Rs/-) | ভাৰতীয় টকা |
| এছ এইছ জি (SHG) | আত্মসহায়ক গোট |
| ভিচিডিচি (VCDC) | গাওঁ পৰিষদ উন্নয়ন সমিতি (ভিলেজ কাউন্সিল ডেপল'পমেণ্ট কমিটী) |

# কাটাঝাৰ পৰিৱেশ উন্নয়ন সমিতি

## (জীৱিকা উন্নয়ন পৰিকল্পনা)

### সূচীপত্ৰ


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ৪ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৬ |
| ৩ | জীৱিকাৰ সম্ভাৱনীয়তা বিশ্লেষণ | ১২ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | |
| – | পৰিশিষ্টৰ তালিকা। | |

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্পটোৰ সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়’ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ লক্ষ্য হৈছে— ‘নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।’ প্ৰকল্পটোৰ লক্ষ্য হিচাপে কোৱা হৈছে— ‘বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।’<br><br>এই প্ৰকল্পটোলৈ মূলতঃ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো দায়িত্ব বহন কৰিছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়’ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ’চাইটীয়ে। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদৰ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ দক্ষতা বৃদ্ধি কৰাৰো প্ৰয়োজন।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ’প্ৰিনিঅ’ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু ‘চেণ্টাৰ ফৰ মাইক্ৰ’ ফাইনেন্স এণ্ড লাইভলিহুড’ (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ’প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)’ চমুকৈ কম্পেল’।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে ‘গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান। বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।’ বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **কাটাঝাৰৰ ই ডি চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ বাক্সা জিলাত অৱস্থিত কাটাঝাৰৰ ই ডি চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ জৰিয়তে গাঁওবাসীৰ প্ৰয়োজনীয়তাৰ বিস্তৃত বিশ্লেষণ এই নথিত সন্নিবিষ্ট হৈছে। এই ই ডি চি বিটিচি চক্ৰৰ মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালকৰ কৰ্তৃত্বসীমাৰ অন্তৰ্গত। পৰৱৰ্তী অধ্যায়ত সম্প্ৰদায়সমূহৰ সবিশেষ উল্লেখ কৰা হৈছে। |

| | |
|---|---|
| | এই ক্ষুদ্ৰ পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। ২০১৬ চনৰ জুলাই মাহত ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ, গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি আই আই ই-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। এই নথি গ্ৰহণৰ বাবে আলোচনা কৰি চূড়ান্ত কৰা হৈছিল ২০১৬ চনৰ জুলাইত। |

## ২। জে এফ এম চিটোৰ আৰ্থ-সামাজিক ৰূপৰেখা

**অৱস্থিতি**

কাটাঝাৰ গাঁৱৰ বাসিন্দাক কাটাঝাৰ পাৰিপাৰ্শ্বিক সমিতি (ই ডি চি) গঠন কৰা হয়। উক্ত ই ডি চিৰ অন্তৰ্গত এলেকা অসমৰ বাক্সা জিলাৰ ঘোঁৰামৰা ভিচিডিচিৰ অন্তৰ্গত।

**পৰিশিষ্ট ১ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে।**

**মূল তথ্য**

**ই ডি চিৰ মূল তথ্যসমূহ তলত দিয়া হ'ল।**

**তালিকা-ক ঃ ই ডি চিৰ মূল তথ্যসমূহ।**

| | |
|---|---|
| **ই ডি চিৰ নাম** | কাটাঝাৰ |
| **বাসস্থান** | কাটাঝাৰ |
| **ৰাজহ গাঁৱৰ নাম** | গোঁসাইভিটা |
| **গাঁও পঞ্চায়ত/ভি চি ডি চি** | ঘোঁৰামৰা |
| **ৰাজহ চক্ৰৰ নাম** | জালাহ |
| **জিলা** | বাক্সা |
| **বন সংমণ্ডল** | মানাহ ডব্লিউ এল |
| **বন আঞ্চলিক** | বাঁশবাৰী |
| **বন লাট** | নতুন শিৱিৰ (কাটাঝাৰ) |
| **গঠনৰ বৰ্ষ** | ২০১৪ |
| **ই ডি চিৰ চাৰিসীমা** | জি পি এছ সমন্বয় (কেন্দ্ৰবিন্দু)<br>উত্তৰ ২৬°৪০’৪০”<br>পূব ৯১°৪’৪০”<br>উত্তৰ ঃ দাউৰাবাৰী গাঁও<br>দক্ষিণ ঃ পহুমাৰা নৈ<br>পশ্চিম ঃ মানাহ ৰাষ্ট্ৰীয় উদ্যান<br>পূব ঃ ৰজাবিল গাঁও |

**উৎস** ঃ ই ডি চি তথ্য আৰু ২০১৭ ৰ এপ্ৰিলত হোৱা পি আৰ এ অনুশীলনৰ আলোচনা। অতিৰিক্ত বৰ্ণনা তথ্য ১ তালিকা ১ (পৰিশিষ্টত সন্নিবিষ্ট)

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>কাটাঝাৰ পৰিৱেশ উন্নয়ন সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>শেখৰ ৰামচিয়াৰী</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>তপন বৰগয়াৰী</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>উপলব্ধ নহয়</td></tr>
<tr><td>পঞ্জীয়ন নম্বৰ</td><td>এম টি পি/ই ডি চি/০৭</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষঃ ৮, মহিলা ঃ ৪</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>৫১ (এটা পৰিয়ালৰ পৰা এজনকৈ)</td></tr>
</table>
উৎস ঃ ই ডি চিৰ তথ্য।</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ৫১টা। মহিলা মুৰব্বী থকা পৰিয়াল ৫১টা। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ২৩২জন। ইয়াৰে ১১৪জন পুৰুষ আৰু ১১৮গৰাকী মহিলা। ৫১টা পৰিয়ালৰ ১৭ টা পৰিয়াল অন্যান্য পিছপৰা শ্ৰেণীৰ আৰু ৩৪টা পৰিয়াল অনুসূচিত জাতিৰ।<br><br>উপৰোক্ত তথ্যৰ অধিক বিৱৰণৰ বাবে তালিকা-২ তথ্য-১ চাব পাৰে।<br><br>ইয়াৰ পৰা জনা যায় যে ঃ<br>১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৫ গৰাকী।<br>২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ১০৩৫গৰাকী মহিলা।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>মুঠ জনসংখ্যাৰ ৪৩.৯৭ শতাংশতকৈ অধিক লোক শিক্ষিত বুলি চিহ্নিত। গাঁওখনৰ অধিকাংশ লোকেই বিদ্যালয় পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে তুলনামূলকভাৱে কম সংখ্যক পৰিয়ালত উচ্চতৰ পৰ্যায়ৰ শিক্ষাপ্ৰাপ্ত সদস্য আছে।<br><br>জীৱিকা উন্নয়নৰ দক্ষতা সমূহক বিভিন্ন ধৰণেৰে সামৰি লোৱা হৈছে। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী পাৰিপাৰ্শ্বিক উন্নয়ন সমিতিখনত গ্ৰহণ কৰি অহা হৈছে। সাধুখুটি যুটীয়া বন পৰিচালনা সমিতিত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে পোৱা দক্ষতা। তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত বিভিন্নজনৰ পৰম্পৰাগত দক্ষতা দেখা পোৱা যায় ঃ<br><br>ক) কৃষি কাৰ্য<br><br>খ) বয়ন কাৰ্য<br><br>গ) পশুপালন<br><br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে কিন্তু এনে কোনো কাৰ্যসূচী এইৰ পৰা এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই।</td>
</tr>
</table>

| | |
|---|---|
| **ভূমি** | প্ৰকল্প গ্ৰহণ কৰা অঞ্চলৰ ভূমিৰ প্ৰকাৰ এনেধৰণৰ ঃ<br>■ পলসুৱা মাটিৰ অৱস্থিতি। গোটেই বছৰটোৱেই সাৰুৱা এই ধৰণৰ মাটিত বিভিন্ন প্ৰকাৰৰ শস্য উৎপাদনৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। তীব্ৰবেগী মানাহ নৈয়ে পাহাৰৰ ওখ ঢালৰ পৰা ভৈয়ামলৈ নামোতে ইয়াৰ গতি কমে আৰু ফলশ্ৰুতিত নৈয়ে কঢ়িয়াই অনা শিল-বালি, মাটি-পলস আৰু বিভিন্ন মল, আৱৰ্জনা আদি জমা হৈ পলসুৱা স্তৰ এটিৰ সৃষ্টি হয়। |
| **পানী** | ৰাষ্ট্ৰীয় উদ্যানৰ পশ্চিম দিশেৰে বোৱা মানাহ নৈখন এই ঠাইতে দুভাগত বিভক্ত হৈ বেকী আৰু ভলকাডুবা নামৰ দুখন পৃথক নৈ ৬৪ কিঃমিঃ দক্ষিণলৈ ব্ৰহ্মপুত্ৰত পৰিছেগৈ। প্ৰকল্পথলীৰ মাজেৰে বৈ যোৱা পহুমৰা নৈত বছৰটো পানী পোৱা যায়। |
| **জলবায়ু ঃ**<br>**উষ্ণতা আৰু বৰষুণ** | গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা হয় ২৭.৩ ডিগ্ৰী চেলচিয়াছৰ ৪ ডিগ্ৰী কম অথবা বেছি। শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ১৫ ডিগ্ৰী চেলচিয়াছৰ ২ ডিগ্ৰী কম অথবা বেছি।<br>আৰ্দ্ৰতাৰ পৰিমাণ বেছি থকা এই অঞ্চলটোত বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ২৯০০-৩৯০০ মিলিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (মে'-ছেপ্টেম্বৰ) সাধাৰণতে এক তৃতীয়াংশ বৃষ্টিপাত হয়। বৰষুণৰ মাহকেইটাত গাঁওখনৰ আৰ্দ্ৰতাৰ পৰিমাণ বৃদ্ধি পায় (আৰ্দ্ৰতাৰ পৰ্যায় ৮০ শতাংশৰ পৰা ৮০ শতাংশ কম অথবা বেছি)। শীতকালত আৰ্দ্ৰতাৰ পৰ্যায় কমি (৭৬ শতাংশতকৈও কম) হয়)। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহ বিস্তৃতভাৱে সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীত অন্তৰ্ভুক্ত। মুখ্য বন প্ৰজাতি হ'ল ঃ আজাৰ, গমাৰি, তিতাচপা। জৈৱ উন্নয়ন সমিতিখনত প্ৰচুৰ নেমু উৎপাদন হয়। কঠাল, বাঁহ আদিও গাঁৱখনত উপলব্ধ। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | অতিৰিক্ত তথ্য বন উন্নয়ন পৰিকল্পনাত সন্নিবিষ্ট।<br>ধাননি পথাৰ ঃ ৬১.৮২ শতাংশ<br>পুখুৰী ঃ ৮.১৯ শতাংশ<br>নৈ ঃ ৩.৫৪ শতাংশ<br>পথ ঃ ১.৪৭ শতাংশ<br>মীমাংসিত (ৰাজহ) এলেকা ঃ ১৫.৮৭ শতাংশ<br>গছৰোপিত অঞ্চল ঃ ৯.১১ শতাংশ |
| **ভূমি ধাৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **তথ্য-(I)ৰ তালিকা-৩ত** উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ৮০.৩৯ শতাংশ পৰিয়াল ভূমিহীন। (৪১টা পৰিয়াল)<br>■ ১৫.৬৯ শতাংশ পৰিয়াল উপান্ত কৃষক। (৮টা পৰিয়াল)<br>■ ৩.৯২ শতাংশ পৰিয়াল ক্ষুদ্ৰ কৃষক। (২টা পৰিয়াল) |

| | |
|---|---|
| **পশুধন** | গাঁওখনৰ মুঠ পশুধনৰ সংখ্যা ১১২৩টা।<br>পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গৰু ঃ ১৫৩টা।<br>ছাগলী ঃ ২০০টা।<br>মহ ঃ ১২০টা।<br>মুৰ্গী ঃ ৪০০টা।<br>হাঁহ ঃ ২০০টা।<br>গাহৰি ঃ ৫০টা।<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৱৰণ **তথ্য-(I)**ৰ **তালিকা-৪**ত দাঙি ধৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ নিৰ্বাহক্ষম উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)**ৰ **তালিকা-৫**ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে। এই তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰিঃ<br>**বাস্তৱিক আন্তঃগাঁথনি ঃ** অঞ্চলটোৰ বাসিন্দাসকলে মূল বাস্তৱিক আন্তঃগাঁথনিৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াত উন্নত বাস্তৱিক আন্তঃগাঁথনি যেনে ঃ পানী যোগান, ৰাজহুৱা বিতৰণ ব্যৱস্থা, ভাল ৰাস্তা, ম'বাইল নেটৱৰ্ক আদি উপলব্ধ নহয়।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা সুবিধা ঃ** কাটাঝাৰ ইডিচিত শিক্ষা আৰু স্বাস্থ্য সেৱাৰ ব্যৱস্থা একেবাৰে ন্যূনতম। গাঁৱৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয় আছে। বুনিয়াদী শিক্ষা সুবিধাৰ বাহিৰে উচ্চ শিক্ষাৰ বাবে গাঁৱৰ বাহিৰলৈ যাবলগীয়া হয়। চিকিৎসা সুবিধাৰ ক্ষেত্ৰত গাঁৱত কোনো প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু পশুধন চিকিৎসাকেন্দ্ৰ নাই।<br>**চৰকাৰী কাৰ্যালয়ঃ** চৰকাৰী কাৰ্যালয় (যেনেঃ আৰক্ষী থানা, গাঁও পঞ্চায়ত, ৰাজহ কাৰ্যালয়, বনাঞ্চলিক কাৰ্যালয় আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত।<br>**বিত্তীয় প্ৰতিষ্ঠানঃ** গাঁওখনৰ পৰা বিত্তীয় প্ৰতিষ্ঠান যেনে— বেংক, ডাকঘৰ আদি যথেষ্ট দূৰৈত অৱস্থিত। |
| **কৃষিশস্য** | গাঁৱখনত উৎপাদিত কৃষিশস্যৰ সবিশেষ **তথ্য-(I)**ৰ **তালিকা-৬**ত বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা গাঁওখনত উৎপাদিত শস্যৰ সবিশেষ এনেধৰণৰ ঃ<br>খাৰিফ শস্য ঃ শালি, ৰঞ্জিত, আইজং<br>ৰবি শস্য ঃ আলু, জলকীয়া, মূলা, বন্ধাকবি<br>অন্যান্য ঃ নেমু, তামোল<br>অধিকাংশ শস্যই বৰ্ষাভিত্তিক। |

| | |
|---|---|
| **শস্য উৎপাদনৰ ৰূপৰেখা** | গাঁওখনৰ শস্য উৎপাদনৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-৭ত** সন্নিৱিষ্ট কৰা হৈছে। শস্য উৎপাদন আৰু উৎপাদিত সামগ্ৰীৰ সবিশেষ তলত দিয়া ধৰণৰঃ<br>ক) ধান উৎপাদন ঃ ১০০০ কুইণ্টল, উৎপাদিত ফচল-৩০ কুইণ্টল/হেক্টৰ।<br>খ) শাক-পাচলি উৎপাদন ঃ ৭.৫ কুইণ্টল, উৎপাদিত ফচল-৩.৭৫ কুইণ্টল/হেক্টৰ।<br>গ) তামোল ঃ ১৫০ কুইণ্টল, উৎপাদিত ফচল-১০ কুইণ্টল/হেক্টৰ।<br>ঘ) নেমু ঃ ১২ কুইণ্টল, উৎপাদিত ফচল-৬ কুইণ্টল/হেক্টৰ। |
| **উপলব্ধ পশুখাদ্য** | গাঁওখনত উপলব্ধ পশুখাদ্যৰ **তথ্য-(I)ৰ তালিকা-৮ত** সন্নিৱিষ্ট কৰা হৈছে। তথ্য অনুসৰি জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) শস্যৰ অৱশিষ্ট- উপলব্ধ- (৩ ৰ পৰা ৬ মাহ)<br>খ) বনাঞ্চলৰ মুক্তভূমি- উপলব্ধ- (৩ ৰ পৰা ৬ মাহ)<br>গ) ঘৰুৱা আৱৰ্জনা- উপলব্ধ- (>৬ মাহ)<br>ঘ) সেউজীয়া বন - উপলব্ধ- (> ৬ মাহ) |
| **বজাৰ** | গাঁৱৰ বিভিন্ন বজাৰৰ অৱস্থানৰ **তথ্য-(I)ৰ তালিকা-৯ত** উল্লেখ কৰা হৈছে। গাঁওবাসীৰ বাবে উপলব্ধ বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ গাঁৱৰ পৰা ৩ কিলোমিটাৰ দূৰৰ ৰূপহীত অৱস্থিত।<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ৫ কিলোমিটাৰ দূৰত শালবাৰীত অৱস্থিত।<br>গ) প্ৰধান বজাৰ ঃ ৩ কিলোমিটাৰ দূৰত ৰূপহীত অৱস্থিত। |
| **জলসম্পদ** | **তথ্য-(I)ৰ তালিকা-১০ত** জল সম্পদসমূহৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। প্ৰধান জলসম্পদসমূহ এনেধৰণৰ ঃ<br>ক) কুঁৱা ঃ (পানীৰ পৰ্যাপ্ততা ঃ বছৰজোৰা)<br>খ) নলীনাদ ঃ (পানীৰ উপলব্ধতা ঃ বছৰজোৰা)<br>গ) নৈ-নিজৰা ঃ (পানীৰ পৰ্যাপ্ততা ঃ বছৰজোৰা)<br>ঘ) হাত পাম্প ঃ (পানীৰ পৰ্যাপ্ততা ঃ বছৰজোৰা)<br>ঙ) পুখুৰী ঃ (পানীৰ পৰ্যাপ্ততা ঃ বছৰজোৰা) |

| | |
|---|---|
| **শক্তিৰ ব্যৱহাৰ** | গাঁৱৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)**ৰ **তালিকা-১১**ত উল্লেখ কৰা হৈছে। একেখিনি তথ্য তলত উল্লেখ কৰা হ'ল।<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৫১টা, উৎস ঃ স্থানীয় বজাৰ<br>গ) কেৰাচিন তেল ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৪৬টা, উৎস ঃ মুকলি বজাৰ।<br>খ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৪টা, উৎস ঃ এজেন্সি। |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনত অসমীয়া, বড়ো আৰু বাঙালী সম্প্ৰদায়ৰ লোকে বাস কৰে। তেওঁলোক অন্যান্য পিছপৰা জাতি আৰু অনুসূচিত জনজাতি আৰু হিন্দু ধৰ্মৰ। গভীৰ সামাজিক বৈষম্য ইয়াত পৰিলক্ষিত নহয়। সমাজত মহিলাৰ স্থান সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। জীৱিকাৰ মূল পথ হৈছে দিন হাজিৰা, উদ্যানশস্য আৰু পশুপালন। অধিকাংশ গাঁওবাসীৰ বাৰ্ষিক আয় ১৫,০০০ৰ পৰা ৩৫,০০০ টকা।<br>ইয়াত জীৱিকাৰ বাবে যুৱ প্ৰজন্ম আৰু আন মানুহৰ প্ৰব্ৰজন দেখা নাযায়। |
| **মানচিত্ৰ** | পি আৰ এ অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-**১**ত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৱৰ মানচিত্ৰ।<br>* গাঁৱৰ সামাজিক মানচিত্ৰ<br>* গাঁৱৰ সম্পদৰ মানচিত্ৰ।<br>* ভেন ডায়েগ্ৰাম।<br>* চাপাটি ডায়েগ্ৰাম। |

## ৩। জীৱিকাৰ সম্ভাৱনীয়তা বিশ্লেষণ

জীৱিকাৰ সম্ভাৱনীয়তা তথা সুবিধাসমূহৰ বিশ্লেষণ প্ৰক্ৰিয়াৰ মাপকাঠি আছিল নিম্ন লিখিত ধৰণৰ।

ক) জীৱন নিৰ্বাহৰ সম্পদ।

খ) জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰ।

গ) সম্ভাব্য জীৱিকাৰ পথৰ অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীকৰণ।

পি আৰ এ অনুশীলনৰ কালত কাটাঝাৰ ইডিচিৰ জীৱিকা অৰ্জনৰ অৱস্থা সমূহৰ বিশ্লেষণ কৰা হৈছিল। ডি এফ ডি আইৰ স্থায়ী জীৱিকা নিৰ্বাহ কৰ্মসূচী ব্যৱহাৰ কৰি অনুশীলন কালত বিশ্লেষণ আগবঢ়োৱা হয়। বৰ্তমানৰ গাঁওবাসীৰ জীৱন নিৰ্বাহৰ অৱস্থা তলত দিয়া ধৰণেৰে মূল্যায়ণ কৰা হৈছে—

ক) প্ৰাকৃতিক মূলধন।

খ) বাস্তৱিক মূলধন।

গ) সামাজিক মূলধন।

ঘ) মানৱ সম্পদ।

ঙ) বিত্তীয় মূল্যধন।

### প্ৰাকৃতিক মূলধন

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত কাটাঝাৰ ই ডি চিৰ মাজেৰে পহুমাৰা নৈ বৈ গৈছে। কৃষিকৰ্ম আৰু পশুপালনৰ বাবে গাঁওবাসী নৈৰ পানীৰ ওপৰত নিৰ্ভৰশীল। খোৱাপানীৰ বাবে গাঁওবাসীয়ে কুঁৱা আৰু হাতপাম্পৰ ব্যৱহাৰ কৰে। মূল প্ৰাকৃতিক মূলধন আজাৰ, গমাৰি, তিতাচপা আদি। (অধিক তথ্যৰ তালিকা- **১০**ৰ পৰিশিষ্ট **৬** ত)

### বাস্তৱিক মূলধন

কাটাঝাৰ ই ডি চিৰ বাসিন্দাসকলৰ অধিকাংশ পৰিয়ালেই দিন হাজিৰা, কৃষি আৰু তামোল উৎপাদনৰ লগত জড়িত।তেওঁলোকৰ ভূমিধাৰণৰ ধৰণ সম্পৰ্কে তালিকা **৩**/ পৰিশিষ্ট **৬**ত বিস্তৃতভাৱে দিয়া হৈছে।

গাঁওখনত উনচল্লিছটা অৰ্ধপকী ঘৰ, বাৰটা পকী ঘৰ আছে। গাঁওবাসীয়ে শক্তি আৰ্জনৰ উৎস হিচাপে কেৰাচিন, বিদ্যুৎ আৰু ৰন্ধন গেছ আছে যদিও গাঁওবাসীয়ে কাঠখৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰ কৰে।

গাঁওখনত একমাত্ৰ এখন প্ৰাথমিক বিদ্যালয় আছে।

পানীৰ উৎস হিচাপে ই ডি চিত এটা পুখুৰী আৰু নৈ আছে।

### সামাজিক মূলধন

সজাগতাৰ অভাৱত গাঁওবাসীয়ে সম্পূৰ্ণৰূপে ই ডি চিৰ কোনো অনুষ্ঠানত জড়িত নহয় আৰু তেওঁলোকৰ ভূমিকাৰ বিষয়ে নাজানে আৰু মূল অনুষ্ঠান আৰু লাভালাভৰ বিষয়েও জ্ঞাত নহয়।

গাঁওখনত ৪টা আত্মসহায়ক গোট আছে। গাঁওখনত এটা মন্দিৰ আছে। গাঁওখনত কোনো ৰাজহুৱা প্ৰেক্ষাগৃহ নাই।

### মানৱ সম্পদ

ই ডি চি মুঠ জনসংখ্যাৰ ৪৪ শতাংশ লোক শিক্ষিত হোৱাৰ বিপৰীতে ৫৬ শতাংশ লোক নিৰক্ষৰ।

## বিত্তীয় মূলধন

ই ডি চি এলেকা আৰু ইয়াৰ ওচৰে পাজৰে কোনো ধৰণৰ চৰকাৰী বেংক বা বিত্তীয় লেন-দেনৰ প্ৰতিষ্ঠান নাই। ই ডি চিৰ পৰা ৫ কিলোমিটাৰ দূৰৈৰ শালবাৰীত এটা বেংক আছে। অৱশ্যে গাঁওবাসীয়ে অনানুষ্ঠানিক গোট আৰু আত্মীয়ৰ পৰা ঋণ লয়। প্ৰায় ৬০ শতাংশ লোকৰ বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও তেওঁলোক আৰ্থিক লাভালাভৰ বিষয়ে সজাগ নহয়।

## জীৱিকা নিৰ্বাহৰ উপায়

কাটাঝাৰ ইডিচিৰ বাসীৰ জীৱন প্ৰণালীৰ উপায়সমূহ তলত দিয়া ধৰণে শ্ৰেণীকৰণ কৰা হৈছে।

ক) ই ডি চিৰ সৰ্বমুঠ আয় আহৰণত উপাৰ্জনকাৰী গোটৰ বৰঙণি

খ) নিৰ্দিষ্ট জীৱিকা কাৰ্যকলাপত উপাৰ্জনকাৰী গোট জড়িতৰ শতাংশ।

গ) অগ্ৰাধিকাৰ ভিত্তিত সম্ভাব্য জীৱন প্ৰণালীৰ কাৰ্যকলাপৰ স্থানাংক নিৰ্ধাৰণ।

## আয় আহৰণত উপাৰ্জনকাৰী গোটৰ বৰঙণি

ক) তামোল উৎপাদন, ধান উৎপাদন

খ) দৈনিক হাজিৰা

গ) পশুপালন

ঘ) চাকৰি

ঙ) ক্ষুদ্ৰ ব্যৱসায়

## আয় আহৰণত উপাৰ্জচনকাৰী গোটৰ বৰঙণি

পৰিয়াল সমীক্ষা আৰু পি আৰ এ কাৰ্যকলাপত এটা কথা লক্ষ্য কৰা হৈছে যে, উল্লিখিত কাৰ্যকলাপসমূহত বছৰৰ বিভিন্ন সময়ত পৰিয়ালসমূহ জড়িত। প্ৰাথমিক জীৱিকাঃ তামোল খেতি আৰু দিন হাজিৰা। গৌণ জীৱিকা ঃ ধান খেতি, পশুপালন, ক্ষুদ্ৰ ব্যৱসায়। গাঁওখনৰ একাংশ লোক চাকৰিয়াল।

## অগ্ৰাধিকাৰ ভিত্তিত সম্ভাব্য জীৱন প্ৰণালীৰ কাৰ্যকলাপৰ স্থানাংক নিৰ্ণয়

১. পশুপালন

২. দিন হাজিৰা

৩. বয়ন

৪. কাঠৰ কাম

৫. উদ্যান শস্য

## ৪. পি আৰ এ অনুশীলনৰ মাধ্যমেৰে অগ্ৰাধিকাৰৰ স্থানাংক নিৰ্ধাৰণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | আই আই ই গুৱাহাটীৰ এটা দলে কাটাঝাৰ গাঁৱত চলোৱা পি আৰ এ অনুশীলনৰ সবিশেষ—<br>**তাৰিখ** ঃ ৯ এপ্ৰিল, **উপস্থিতিৰ সংখ্যা** ঃ ১০<br>**স্থান** ঃ কাটাঝাৰ প্ৰাথমিক বিদ্যালয়<br>**উপস্থিতি** ঃ ইডিচিৰ বিষয়ববীয়া, গাঁওবুঢ়া, গাঁওবাসী, বন বিভাগৰ বিষয়া আদি উপস্থিত আছিল। |
| **পি আৰ এৰ উদ্দেশ্য** | অনুশীলনৰ উদ্দেশ্য আছিল বৰ্তমানৰ পৰিয়ালসমূহৰ অৱস্থা অধ্যয়ন আৰু গাঁওবাসীৰ জীৱিকা উন্নয়নৰ পদক্ষেপ আৰু বনোন্নয়ন পৰিকল্পনাৰ বাবে প্ৰাথমিক তথ্য সংগ্ৰহ। |
| **পি আৰ এত ব্যৱহৃত (সা-সৰঞ্জাম) মাপকাঠি আৰু অনুশীলনৰ ফলাফল** | অনুশীলনৰ বাবে ভিন্ন মাপকাঠি (সা-সৰঞ্জাম) ব্যৱহাৰ কৰা হৈছিল—এইসমূহ হ'লঃ<br>সামাজিক মানচিত্ৰায়ন<br>সম্পদ স্থানাংক<br>সময়ৰেখা পৰ্যবেক্ষণ<br>জীৱিকাৰ ঋতু সম্পৰ্কীয়তা<br>ভেন ডায়েগ্ৰাম<br>**পৰিশিষ্ট-৩** বিতং তথ্য প্ৰদান কৰা হৈছে । |

| | |
|---|---|
| স্থানাংক | স্থান নিৰ্ণায়ক অনুশীলন আছিল এনেধৰণৰ<br>■ জীৱিকা আৰু দক্ষতা উন্নয়ন<br>■ জীৱিকা আৰু দক্ষতা উন্নয়নৰ প্ৰাৰম্ভিক কাৰ্যসূচী (ই পি এ)<br>প্ৰাৰম্ভিক কৰ্মসূচীৰ স্থানাংক নিৰ্ধাৰণ |

| **স্থান** | **স্থানাংক অনুসাৰে গাঁৱৰ ই পি এ** | **বৰ্ণনা (পৰিশিষ্ট-৩ত অতিৰিক্ত বৰ্ণনা)** | **পুঁজিৰ সম্ভাৱনীয় উৎস /বিভাগ** |
|---|---|---|---|
| ১ | ৰাজহুৱা ভৱন | সভা-সমিতিৰ আয়োজন আৰু উৎপাদন কেন্দ্ৰ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন |
| ২ | বয়ন | ৰাইজৰ বাবে এটা প্ৰশিক্ষণ সুবিধাৰ থকা এটা কেন্দ্ৰ | এ পি এফ বি চি |
| ৩ | খোৰাপানী | পৰিয়ালসমূহৰ বাবে | ই পি এ/ এ পি এফ বি চি |
| ৪ | জলসিঞ্চন | কৃষি কাৰ্যৰ বাবে | জলসিঞ্চন বিভাগ অসম চৰকাৰ |
| ৫ | অনাময় | প্ৰত্যেক ঘৰলৈ কম খৰচী শৌচাগাৰ | স্বচ্ছ ভাৰত মিছন/পি এইছ চি |

| | |
|---|---|
| **জীৱিকা অৰ্জনৰ সম্ভাৱনীয়তাসমূহ** | জীৱিকা অৰ্জনৰ সুবিধাসমূহ তলত দিয়াৰ দৰে চিনাক্ত কৰা হৈছে ঃ<br>* কৃষি শস্য<br>* বয়ন<br>* পশুধন<br>অতিৰিক্ত আলোচনা এই সম্পৰ্কত তলত দিয়া হ'ল। |
| **কৃষি** | **তথ্য ঃ ২ৰ তালিকা ঃ ১২**ৰ পৰা কৃষি আৰু উদ্যানশস্যত এই সম্পৰ্কীয় সুবিধাসমূহ পাব পাৰি।<br>মূল প্ৰতিবন্ধকতাসমূহ<br>(ক) বন্যপ্ৰাণীৰ বাবে বেৰাৰ অভাৱ<br>(খ) জলসিঞ্চনৰ সুবিধাৰ অভাৱ।<br>(গ) আধুনিক সা-সৰঞ্জাম, কৃষি আন্তঃগাঁথনিৰ অভাৱ।<br>(ঘ) উচ্চ হাৰত ফচল দিয়া বীজৰ ব্যৱহাৰ নকৰা<br>সম্ভাৱনাসমূহ—<br>(ক) এইছ ৱাই ভি বীজৰ প্ৰয়োগ<br>(খ) জলসিঞ্চনৰ সুবিধাৰ ব্যৱস্থা<br>(গ) জৈৱ কৃষিৰে উৎপাদনশীলতা বৃদ্ধি<br>ল'বলগা আঁচনিৰ পৰামৰ্শঃ<br>জৈৱ কৃষিৰ প্ৰশিক্ষণ<br>সৌৰ বিজুলীৰ বিকাশ |
| **পশুধন** | তালিকা **১৩** ত এই পশুধন সম্পৰ্কীয় অতিৰিক্ত তথ্য দিয়া হ'ল।<br>মূল প্ৰতিবন্ধকতাসমূহ—<br>ক) দুৰ্বল আৰ্থিক অৱস্থাৰ হেতু বজাৰৰ পৰা পশুখাদ্য ক্ৰয় কৰাত অসমৰ্থ।<br>খ) পশু পালনৰ উপযুক্ত জ্ঞানৰ অভাৱ।<br>সম্ভাৱনাসমূহ—<br>ক) পশু পালনৰ পৰা উচ্চ আয়<br>খ) পশুধনৰ আয়ুস বৃদ্ধি।<br>পৰামৰ্শ ঃ<br>পশুধনৰ খাদ্য উৎপাদনৰ প্ৰশিক্ষণ |
| **এন ডব্লিউ এফ পি** | সকলো গাঁও সংৰক্ষিত অঞ্চলৰ সংলগ্ন অঞ্চলত অৱস্থিত। এন ডব্লিউ এফ পিৰ কোনো সম্ভাৱনা নাই। |
| **বিশেষ দক্ষতা** | **তথ্য ঃ ২ৰ তালিকা ঃ ১৫**ত দক্ষতা বিকাশৰ সম্ভাৱনাসমূহৰ বিস্তৃত তথ্য আছে।<br>মূল প্ৰতিবন্ধকতা ঃ<br>ক) উৎপাদিত সামগ্ৰীৰ বিবিধতাৰ অভাৱ।<br>খ) দ্ৰব্যৰ গুণগত মানৰ গৱেষণাৰ অভাৱ।<br>গ) পৰম্পৰাগত যন্ত্ৰৰ ব্যৱহাৰ<br>ইয়াৰ সম্ভাৱনাসমূহ<br>ক) নতুন বজাৰ ব্যৱস্থাৰ বিস্তাৰ কৰা<br>খ) প্ৰয়োজন অনুসৰি চাহিদাভিত্তিক উৎপাদন বিকাশ কৰা |


| | |
|---|---|
| | পৰামৰ্শসমূহ ঃ<br>আধুনিক সা-সৰঞ্জামৰ প্ৰশিক্ষণ<br>দক্ষতা বিকাশ আৰু নতুন উৎপাদন বিকাশ আৰু উৎপাদন বিবিধতাৰ প্ৰশিক্ষণ<br>উৎপাদিত সামগ্ৰী প্ৰতিষ্ঠানিক ক্ৰেতাৰ বাবে বৃহৎ পৰিমাণত দিয়াৰ ব্যৱস্থা |
| **ঋণৰ সুবিধা** | **তথ্য ঃ ২ৰ তালিকা ঃ ১৬ত** এই বিষয়ে আলোচনা কৰা হৈছে।<br>ইয়াৰ মূল প্ৰতিবন্ধকতাসমূহ হ'ল ঃ<br>ক) বিত্তীয় বহিষ্কাৰ<br>খ) সূতৰ উচ্চ হাৰ<br>সম্ভাৱনাসমূহ ঃ<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>পৰামৰ্শ ঃ সজাগতা কাৰ্যসূচী |
| **কৌশলগত হস্তক্ষেপ** | জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে ওপৰত উল্লিখিত পৰামৰ্শমূলক কাৰ্যসূচীসমূহ কৌশলগত হস্তক্ষেপ হিচাপে সাৰাংশ কৰা হৈছে ঃ<br>১) **কৃষি আৰু উদ্যানশস্য ঃ** কৃষি দক্ষতা উন্নয়ন কাৰ্যসূচী, ট্ৰেক্টৰ পৰিচালনা প্ৰশিক্ষণ<br>২) **পশু পালন ঃ** কুকুৰাপালন<br>৩) **এনডব্লিউএফপি ঃ** কোনো সম্ভাৱনা নাই<br>৪) **বিশেষ দক্ষতা ঃ** আধুনিক সা-সঁজুলিৰ প্ৰশিক্ষণ<br>৪) **ঋণ সুবিধা ঃ** অঞ্চলটোত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

## পৰিশিষ্ট তালিকা



| পৰিশিষ্ট নং | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | **মানচিত্ৰ** | |
| | গাঁৱৰ মানচিত্ৰ | ১৯ |
| | গাঁৱৰ সামাজিক মানচিত্ৰ | ২০ |
| | গাঁৱৰ সম্পদৰ মানচিত্ৰ | ২১ |
| ২ | **গাঁৱৰ ভূমি ব্যৱহাৰৰ মানচিত্ৰ (জি আই এছ)** | ২২ |
| ৩ | **পি আৰ এ অনুশীলন** | ২৩ |
| | সামাজিক মানচিত্ৰায়ন | ২৪ |
| | সম্পদৰ স্থানাংক | ২৭ |
| | সময়কালীন সমীক্ষা | ২৮ |
| | জীৱিকাৰ ঋতু | ২৮ |
| | ভেন ডায়েগ্ৰাম | ৩০ |
| | চাপাটি ডায়েগ্ৰাম | ৩১ |
| | অগ্ৰাধিকাৰ স্থানাংক আৰু ই পি এ | ৩২ |
| ৪ | **আলোকচিত্ৰ** | ৩৪ |
| ৫ | **ই ডি চি-ৰ সদস্যসকলৰ তালিকা** | ৩৬ |
| | **ই ডি চি-ৰ পঞ্জীয়ন প্ৰমাণ পত্ৰ** | ৩৭ |
| | **প্ৰশিক্ষণত অংশগ্ৰহণকাৰীৰ তালিকা** | ৩৮ |
| ৭ | **পূৰণ কৰা তালিকা** (প্ৰফৰ্মা ১ৰ পৰা প্ৰফৰ্মা ৪)<br>তালিকাৰ সংখ্যা— ১-১৫ | ৩৯ |

# পৰিশিষ্ট 1


## ১. কাটাঝাৰ ইডিচিৰ মানচিত্ৰ



## ২. গাঁৱৰ মানচিত্ৰ



Village Map
N
W
E
S
Temple
L.P. School
Cremation Ground
Dairy Farm
Paddy Field
House
River
Signatures:

## ৩. সম্পদ মানচিত্র



# পৰিশিষ্ট ২

## ভূমি ব্যৱহাৰৰ জিআইএছ মানচিত্ৰ




Source: Google earth Imagery

Prepared by: Indian Institute of Entrepreneurship

# পৰিশিষ্ট ৩

## অংশগ্ৰহণমূলক গ্ৰামীণ কাৰ্যসূচী (পি আৰ এ)

### অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ স্থান আৰু সময় ঃ

| | | |
|---|---|---|
| অংশগ্ৰহণকাৰীৰ সংখ্যা | ঃ | ৩০ |
| সময় | ঃ | ১২ এপ্ৰিল, ২০১৭ ৰ পুৱা ১০.৩০ বজাত |
| স্থান | ঃ | প্ৰাথমিক বিদ্যালয়, কাটাঝাৰ |

### তালিকা-৩.১ কাটাঝাৰ ই ডি চিৰ অন্তৰ্গত গাঁওসমূহৰ বৰ্ণনা

| ক্ৰমিক নং | গাঁৱৰ নাম | পৰিয়ালৰ সংখ্যা | জনসংখ্যা | | |
|---|---|---|---|---|---|
| | | | মুঠ | পুৰুষ | মহিলা |
| ১ | কাটাঝাৰ | ৫১ | ২৩২ | ১১৪ | ১১৮ |
| | মুঠ | ৫১ | ২৩২ | ১১৪ | ১১৮ |

### তালিকা-৩.২ গাঁওভিত্তিক শিক্ষা তথ্য

| নিৰক্ষৰ | প্ৰাথমিক | মাধ্যমিক | হাইস্কুল | উচ্চতৰ মাধ্যমিক | ডিগ্ৰী আৰু ততোধিক | মুঠ |
|---|---|---|---|---|---|---|
| ১৩০ | ৫৫ | ১৯ | ১১ | ১০ | ৭ | ২০ |

### তালিকা-৩.৩ ঃগাঁওভিত্তিক আয়ৰ বিভক্তকৰণ

| আয়ৰ শ্ৰেণীবিভাজন (টকা) | ঘৰৰ নং |
|---|---|
| ৬০০০০-৮০০০০ | ২৭ |
| ৮০০০০-১০০০০০ | ১৪ |
| ১০০০০০-১২০০০০ | ৪ |
| ১২০০০০-১৫০০০০ | ২ |
| > ১৫০০০০ | ৪ |

**পি আৰ এ অনুশীলনৰ সময়ত ব্যৱহাৰ কৰা বিভিন্ন সৰঞ্জামসমূহ**

ক) সামাজিক মানচিত্ৰায়ন

খ) সম্পদ স্থানাংক

গ) সময় সীমাপৰ্যবেক্ষণ

ঘ) ঋতুগত বিশ্লেষণ

ঙ) চাপাটি ডায়েগ্ৰাম

## ৩.১ সামাজিক মানচিত্ৰায়ন ঃ


বিভিন্ন সামাজিক-অৰ্থনৈতিক বিষয়বোৰক লৈ আলোচনা আৰু মানচিত্ৰৰ ব্যৱহাৰৰ জৰিয়তে কাটাঝাৰ ই ডি চিৰ আৰ্থ-সামাজিক অৱস্থা গভীৰভাৱে অধ্যয়নৰ বাবে গাঁওবাসী আৰু উদগনি দাতাসকলক সহায়ৰ উদ্দেশ্যে সামাজিক মানচিত্ৰায়ন ব্যৱহাৰ কৰা হয়। সামাজিক মানচিত্ৰৰ জৰিয়তে পৰিয়ালসমূহৰ ঘৰসমূহৰ ধৰণ, বিদ্যালয়ৰ সংখ্যা, সামাজিক গাঁথনি, ধৰ্মীয় বিশ্বাস আদিৰ তথ্য দাঙি ধৰাৰ বাবে যথোপযুক্ত প্ৰচেষ্টা চলোৱা হয়। গাঁওসমূহৰ পৰিভ্ৰমণ কৰি আৰু জিপিএছ ব্যৱস্থাৰ যোগেদি বিভিন্ন তথ্য আহৰণ কৰা হয়। গাঁওবাসীৰ উৎসাহ প্ৰশংসনীয় আৰু তেওঁলোকে সক্ৰিয়ভাৱেই মানচিত্ৰায়ন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছে।

প্ৰথমে গাঁৱৰ লোকসকলক গাঁওখনৰ পথসমূহৰ মানচিত্ৰ আঁকিবলৈ কোৱা হয়। তাৰপিছত তেওঁলোকৰ আৱাস, গুৰুত্বপূৰ্ণ সামাজিক স্থানসমূহ আৰু চৰকাৰী কাৰ্যালয়সমূহৰ অৱস্থান পি আৰ এ দলৰ সদস্যসকলৰ সহায়ত আঁকিবলৈ কোৱা হয়। দুজন সদস্যই স্বতঃপ্ৰণোদিতভাৱে মানচিত্ৰ আঁকিবলৈ আগবাঢ়ি আহে আৰু তেওঁলোকক সহায় কৰে গাঁৱৰ অন্যান্য বাসিন্দা আৰু দলৰ সদস্যসকলে। মানচিত্ৰত গাঁৱৰ সকলো বাসিন্দাই নিজৰ নিজৰ আৱাসৰ অৱস্থান দেখুৱাই দিয়ে।

**তালিকা-৩.৪ ঃ গাঁও সম্পৰ্কে তথ্য**

| | **বিৱৰণ** | **সংখ্যা** |
|---|---|---|
| সামাজিক তথ্য | মুঠ জনসংখ্যা | ২৩২ জন |
| | পুৰুষ | ১১৪ জন |
| | মহিলা | ১১৮ গৰাকী |
| | মুঠ পৰিয়াল | ৫১ টা |
| | পকীঘৰৰ সংখ্যা | ১৩ টা |
| | কেঁচাঘৰৰ সংখ্যা | - |
| | অৰ্ধ-পকী ঘৰৰ সংখ্যা | ৩৮ টা |
| ক্ষেত্ৰ চিহ্ন | জান-জুৰি-পুখুৰী | ১ |
| | নদী | ০ |
| | জনস্বাস্থ্য কাৰিকৰী বিভাগ | ০ |
| | ৰাজহুৱা সভাগৃহ | ০ |
| | ৰাজহুৱা হাতপাম্প | ০ |
| | ৰাজহুৱা কুঁৱা | ১ |
| | খেলপথাৰ, চৰণীয়া পথাৰ | ১ |
| | পুথিভঁৰাল | ৩ |
| | বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰ | ১ |
| | মন্দিৰ | ২ |
| | নামঘৰ | ১ |

## কাটাঝাৰ ইডিচিৰ সামাজিক মানচিত্ৰ



## কাটাঝাৰ ইডিচিৰ সামাজিক চিত্ৰ বিচাৰি

- সামাজিক মানচিত্ৰায়নত অংশগ্ৰহণকাৰীসকলে ৫১ টা পৰিয়ালক চিহ্নিত কৰে। ইয়াৰে ৩৮টা পৰিয়ালৰ আৱাস অৰ্ধপকী। ১৩টা পৰিয়ালৰ পৰিয়ালৰ ঘৰ পকীঘৰ। ই প্ৰমাণ কৰে যে চৰকাৰৰ আৱাস যোজনাই গাঁও অঞ্চলত এতিয়াও দৰিদ্ৰ পৰিয়ালক সামৰি ল'ব পৰা নাই।
- এইবোৰৰ উপৰি পৰিয়ালসমূহৰ শ্ৰেণীভিত্তিক বিভাজন, ইয়াৰ উপৰি গুৰুত্বপূৰ্ণ স্থান যেনে ৰাজহুৱা সভা ঘৰ, বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, নৈ-নিজৰা, কুঁৱা, দলঙ আদিৰ অৱস্থানো মানচিত্ৰত অংকিত কৰা হৈছে।
- গাঁওবাসীৰ পানীৰ এটা প্ৰধান উৎস হৈছে চৰকাৰী কুঁৱা আৰু ঘৰুৱা নলীনাদ।
- গাঁৱত শিক্ষা ব্যৱস্থা পৰ্যাপ্ত নহয়, এই গাঁওখনত মাত্ৰ এখন প্ৰাথমিক বিদ্যালয় আছে। কোনো মাধ্যমিক বা উচ্চ বিদ্যালয় নাই।
- গাঁওখনৰ মুঠ জনসংখ্যাৰ ৭৩ শতাংশ অনুসূচিত জাতিৰ আৰু অৱশিষ্ট ২৭ শতাংশ অন্যান্য পিছপৰা জাতিৰ।

**জ্ঞাত তথ্য ঃ**

- গাঁওখনত বিজুলী যোগান উপলব্ধ যদিও থাকিও নথকাৰ দৰে কাৰণে অবিৰত বিদ্যুত সেৱা দিনটোত চাৰি-পাঁচ ঘণ্টাৰ বাবেহে উপলব্ধ।
- গাঁওখনৰ বাসিন্দাসকলৰ ৰন্ধাবঢ়াৰ বাবে কাঠখৰি প্ৰাথমিক উৎস। একাংশ লোকৰ ৰন্ধন গেছৰ সংযোগ আছে। পৰিয়ালসমূহ জংঘলৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল নহয়।
- প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, মাধ্যমিক বিদ্যালয়, হাইস্কুল, বেংক আৰু ডাকঘৰ শালবাৰীত অৱস্থিত, যিসমূহ গাঁৱৰ পৰা সাত কিলোমিটাৰ দূৰৈত আছে।
- ঘৰচীয়া পশুৰ খাদ্যৰ বাবে ই ডি চিৰ গাঁৱৰ ৰাইজ শস্যৰ অৱশিষ্ট অংশ, গছ-গছনিৰ পাত, ঘাঁহ, সেউজীয়া খাদ্য আদিৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰশীল।
- কাটাঝাৰ ই ডি চিৰ বাসিন্দাসকলে সাপ্তাহিক বজাৰৰ বাবে পাঁচ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি শালবাৰীলৈ আহিবলগা হয়। য'ৰ পৰা তেওঁলোকে নিত্য ব্যৱহাৰ্য বিভিন্ন সা-সামগ্ৰী, কাপোৰ আদি ক্ৰয় কৰে।

## ৩.২ সম্পদৰ স্থানাংক


সম্প্ৰদায়ৰ বিভিন্ন ধৰণৰ সম্পদৰ গৰাকীৰ অৱস্থা চিহ্নিত আৰু বিশ্লেষণ কৰি পৰিয়ালসমূহৰ সদস্যসকলৰ সম্পদৰ স্থানাংক বা ভাল-বেয়া অৱস্থাৰ স্থানাংক নিৰ্ধাৰণ কৰা হয়। এই স্থানাংক নিৰ্ধাৰণে প্ৰকল্পৰ হিতাধিকাৰীসকলৰ আৰ্থ-সামাজিক স্তৰ নিৰ্ধাৰণৰ বিষয়ে জনাত মূল্যায়নকাৰীসকলক সহায় কৰে আৰু স্থানীয় মানুহৰ সম্পদ/অৱস্থা আদিৰ সংজ্ঞা আৰু সূচক নিৰ্ধাৰণতো সহায় কৰে।

নিম্নোক্ত মানৰ ভিত্তিত সম্পদৰ স্থানাংক নিৰ্ধাৰণ কৰা হৈছে ঃ

ক) ভূমি ধাৰণ

খ) বৃত্তি

এই স্থানাংক নিৰ্ধাৰণৰ জৰিয়তে দেখা গৈছে যে প্ৰায় ৬৮.৬৩ শতাংশ লোক দৰিদ্ৰ, প্ৰায় ১৯.৬১ শতাংশ মধ্যবিত্ত শ্ৰেণীৰ আৰু প্ৰায় ১১.৭৬ শতাংশ ধনী হিচাপে শ্ৰেণীভুক্ত। দৰিদ্ৰ লোকসকল ঘাইকৈ দিন হাজিৰা কৰা বনুৱা আৰু আনৰ মাটিত খেতি কৰা লোক।




৩.১ সম্পদৰ স্থানাংক

## ৩.৩ সময়কালীন সমীক্ষা

**তালিকা- ৩.৩ ঃ সময়কালীন সমীক্ষা**


| **বছৰ** | | **ঘটনা** | **ধৰণ** |
|---|---|---|---|
| স্বাধীনতাৰ পাছত | ১৯৬২ | নামঘৰ প্ৰতিষ্ঠা | গঠনমূলক |
| | ১৯৮৫ | বড়ো আন্দোলন | ৰাজনৈতিক |
| | ১৯৯১ | গাঁওখনৰ প্ৰায় প্ৰতিঘৰ মানুহ হাতীৰ উপদ্ৰৱত ক্ষতিগ্ৰস্ত | ধ্বংসাত্মক |
| | ২০১৬ | জীৱিকাৰ যুৱচামৰ প্ৰব্ৰজন | গঠনমূলক |

## ৩.৪ জীৱিকা কাৰ্যসূচীৰ ঋতুকালীন মানচিত্ৰায়ন

স্থানীয় লোকসকলে প্ৰস্তুত কৰা ঋতুভিত্তিক পঞ্জিকা সম্প্ৰদায়ৰ ভিতৰৰ ঋতুকালীন প্ৰৱণতাসমূহ সম্পৰ্কে তথ্য সংগ্ৰহ আৰু নিৰ্দিষ্ট হেঁচা আৰু দুৰ্বলতাবিলাকৰ সময়ক চিহ্নিত কৰাৰ ক্ষেত্ৰত এক অত্যন্ত উপযোগী উপায়। দলীয় আলোচনাৰ সময়ত (সংগৃহীত তথ্যবোৰ তদন্ত কৰাৰ বাবে আলোচনা) প্ৰায়েই মাটিৰ ওপৰত ঋতুভিত্তিক কৃষি পঞ্জিকা অংকন কৰা হয় আৰু এই পঞ্জিকাৰ মেট্ৰিক্স বা ৰেখাংকনত শিলগুটি অথবা বীজবোৰ শস্যৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰি শস্যৰ অগ্ৰাধিকাৰ স্থানাংক দেখুওৱা হয়। আনহাতে, ঋতুভিত্তিক বৃদ্ধি বা হ্ৰাস দেখুৱাবলৈ সাধাৰণ ৰেখাৰেও ৰেখাচিত্ৰ (গ্ৰাফ) অংকন কৰিব পাৰি। সমগ্ৰ বছৰ ধৰি সমগ্ৰ পৰিস্থিতিৰ ওপৰত পলকতে চাবলৈ এখন পঞ্জিকাতে ঋতুভিত্তিক প্ৰকাৰভেদৰ সমগ্ৰ বিষয়ক সামৰি ল’ব পাৰি। এই প্ৰকাৰভেদ বা পৰিৱৰ্তনবোৰ হৈছে বৰষুণ, শস্যৰ পৰ্যায়ক্ৰম, বনুৱাৰ চাহিদা, মজুৰিভিত্তিক নিযুক্তিৰ পৰ্যাপ্ততা, বাহিৰলৈ প্ৰব্ৰজন, মানুহৰ ৰোগত আক্ৰান্ত হোৱাৰ ঘটনা, ব্যয়ৰ পৰ্যায়সমূহ আৰু অন্যান্য গুৰুত্বপূৰ্ণ সময়বিলাক যেনে উৎসৱ আদিকো ইয়াত দেখুৱাব পাৰি।

ঋতুভিত্তিক মানচিত্ৰায়নত ঘাইকৈ শস্য খেতিৰ বিষয়টোক সামৰি লোৱা হয়। ঋতুভিত্তিক মানচিত্ৰত আমি কৃষিজাত, শস্য আৰু কৃষিকাৰ্যৰ তিনিটা সময় যেনে বীজসিঁচা, শস্য ৰোপণ আৰু শস্য চপোৱাৰ নিয়মবোৰ বিবেচনা কৰাৰ লগতে গোটেই বছৰ ধৰি বিতং তথ্য সংগ্ৰহ কৰা হয়। ঋতুভিত্তিক মানচিত্ৰায়নৰ জৰিয়তে দেখা গৈছে যে গাঁওখনত শালি ধান, সৰিয়হ, মৰাপাট, তামোল, আদা আদি উৎপন্ন হয়। এফজিডিত গম পোৱা গ’ল যে ইডিচিত অন্যান্য জীৱিকা সম্বল হ’ল পশুপালন (গাহৰি পালন, কুকুৰা পালন), দোকান, বয়ন, দিন হাজিৰা, মিস্ত্ৰী, চিলাই, কাঠৰ কাম আদি। যিবোৰ ঋতুকালীন নহ’লেও ঋতুকালীন মানচিত্ৰত দেখুৱাব পাৰি।

## কাটাঝাৰ ই ডি চিৰ ঋতুকালীন মানচিত্ৰ





## ৩.৪ ঋতুকালীন শস্যৰ ধৰণ

| কৃষিজাত শস্য | কাম-কাজৰ সময় | | | |
|---|---|---|---|---|
| | | বীজসিঁচা | শস্য চপোৱা | সংগ্ৰহ |
| কৃষিখণ্ড | ধান (শালি) | মে’-জুন | অক্টোবৰ-ডিচেম্বৰ | ---- |
| | তামোল | ---- | জানুৱাৰী- মে’ | ---- |
| | শাক-পাচলি | মে’-জুন | অক্টোবৰ-ডিচেম্বৰ | ---- |
| | নেমু | বছৰজুৰি | | |
| অনা কৃষিখণ্ড | বয়ন | বছৰজুৰি | | |
| | পশুপালন | বছৰজুৰি | | |
| | দিন হাজিৰা | বছৰজুৰি | | |
| | বিদ্যুতৰ কাম | বছৰজুৰি | | |
| | মিস্ত্ৰীৰ কাম | বছৰজুৰি | | |


## ৩.৫ ভেন ডায়েগ্রাম


Venn diagram
Railway Station
Bus Stand
Major Market
Temple
L.P. School
VCDC
KATAJHAR EDC
Forest Office
Bank
Primary Health Centre
District Headquarter
Police Station
Post office
Signatures:

## ৩.৬ চাপাটি ডায়েগ্রাম



Chapati Diagram
Post Office
Bank
Police Station
Primary Health Centre
Forest Office (Beat)
VCDC
KATAJHAR EDC
Bus Stand
Major Market
Railway Station
District Headquarter
Anganwadi Centre
2.5 Km
5 Km
1 Km
20 Km
40
Signatures:

# অগ্ৰাধিকাৰ স্থানাংক ঃ ই পি এ



| | | Road | Drinking water | Electricity | Hospital | veterinary | Community hall | Irrigation | sanitation | Education | Market shed | Handloom | Marks scoring | Position |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | A | B | C | D | E | F | G | H | I | J | K | | |
| Road | A | A | D | [illegible] | A | A | F | A | H | I | J | K | 6 | [illegible] |
| Drinking water | B | | ✓ | B | B | B | F | B | B | B | B | B | 8 | 2nd |
| Electricity | C | | | ✓ | C | C | F | C | H | C | C | K | 5 | 6th |
| Hospital | D | | | | ✓ | D | F | D | H | D | D | K | 4 | 7th |
| Veterinary | E | | | | | ✓ | F | G | H | I | E | K | 1 | 10th |
| Community hall | F | | | | | | ✓ | F | F | F | F | F | 10 | 1st |
| Irrigation | G | | | | | | | ✓ | H | I | G | K | 2 | 9th |
| Sanitation | H | | | | | | | | ✓ | H | H | H | 3 | [illegible] |
| Education | I | | | | | | | | | ✓ | I | K | 2 | 9th |
| Marked shed | J | | | | | | | | | | ✓ | K | 0 | 11th |
| Handloom | K | | | | | | | | | | | ✓ | 7 | [illegible] |

## অগ্ৰাধিকাৰ স্থানাংক ঃ জীৱিকা কাৰ্যকলাপ



**Priority Ranking of Livelihood Activities**

| Livelihood Activities | | Agriculture A | Weaving B | Livestock C | Wage Labour D | Carpentary E | Tailoring F | Horticulture G | Masonary H | Food Processing I | Marks | Rank |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Agriculture | A | × | A | A | D | A | A | G | A | A | 6 | 2nd |
| Weaving | B | | × | C | D | B | B | B | B | B | 5 | 3rd |
| Livestock | C | | | × | C | C | C | C | C | C | 7 | 1st |
| Wage Labour | D | | | | × | D | D | D | D | D | 6 | 2nd |
| Carpentary | E | | | | | × | E | G | E | E | 3 | 4th |
| Tailoring | F | | | | | | × | G | H | F | 1 | 6th |
| Horticulture | G | | | | | | | × | G | H | 3 | 4th |
| Masonary | H | | | | | | | | × | I | 2 | 5th |
| Food Processing | I | | | | | | | | | × | 1 | 6th |

Signatures:

## পৰিশিষ্ট IV
## আলোকচিত্ৰ



*সজাগতাৰ সময়ৰ মুহূৰ্ত*



*দলীয় আলোকচিত্ৰ*




# পৰিশিষ্ট V

## ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা

| ক্রমিক নং | নাম | পদবী | পুৰুষ/মহিলা |
|---|---|---|---|
| ১ | শেখৰ ৰামচিয়াৰী | সভাপতি | পুৰুষ |
| ২ | বীৰেন দাস | উপ সভাপতি | পুৰুষ |
| ৩ | জৈছ দৈমাৰী | যুটীয়া উপ সভাপতি | পুৰুষ |
| ৪ | তপন বৰগয়াৰী | সম্পাদক | পুৰুষ |
| ৫ | ভূপেন বড়ো | সহকাৰী সম্পাদক | পুৰুষ |
| ৬ | সুভাষ দাস | সদস্য | পুৰুষ |
| ৭ | সতীশ বড়ো | সদস্য | পুৰুষ |
| ৮ | জয়ন্তী দৈমাৰী | সদস্য | মহিলা |
| ৯ | শেখৰ ৰামচিয়াৰী | সদস্য | মহিলা |
| ১০ | কমলা দাস | সদস্য | মহিলা |
| ১১ | প্ৰমীলা দাস | সদস্য | মহিলা |
| ১২ | ৰীণা ৰামচিয়াৰী | সদস্য | মহিলা |
| ১৩ | দীপক দৈমাৰী | সদস্য | পুৰুষ |
| ১৪ | আছাৰী দৈমাৰী | সদস্য | মহিলা |
| ১৫ | ধৰ্মেশ্বৰ দৈমাৰী | সদস্য | পুৰুষ |
| ১৬ | ৰেণু দৈমাৰী | সদস্য | মহিলা |

## কাটাঝাৰ ই ডি চিৰ পঞ্জীয়ণ প্ৰমাণ-পত্ৰ



GOVT. OF ASSAM

BODOLAND TERRITORIAL COUNCIL

OFFICE OF THE FIELD DIRECTOR, MANAS TIGER PROJECT

Barpeta Road- 781315, Assam.

**Registration No. MTP/EDC/07, dated *10th April' 2016***

*This is to certify that "**KATAJHAR ECO-DEVELOPMENT COMMITTEE**" under Bansbari Range of Manas Tiger Project, Barpeta Road which was Registered with the Office of the Field Director, Manas Tiger Project, Barpeta Road, Assam on 10th April' 2016 has been renewed upto 10th April 2017*

*Signed under my hand & seal.*

(H.K. Sharma, IFS)
Field Director, Manas Tiger Project
Barpeta Road, Assam.

Place: Barpeta Road.

Date: ..19/04/2016..

## প্ৰশিক্ষণত অংশগ্ৰহণকাৰীৰ তালিকা

Katjhar EDC

### List of Participants

| Sl. No. | Name of Participant | Sex | Age | Qualification |
|---|---|---|---|---|
| 1 | Rina Ramchiary | F | 39 | X |
| 2 | Pramila Das | F | 50 | Illiterate |
| 3 | Kalpana Boro | F | 28 | H.S.L.C. |
| 4 | Jayanti Daimary | F | 26 | H.S.L.C. |
| 5 | Asmi Daimary | F | 37 | X |
| 6 | Renu Daimary | F | 35 | Illiterate |
| 7 | Mekomi Ramchiary | F | 19 | H.S.L.C. |
| 8 | Puspanjali Daimary | F | 18 | X |
| 9 | Sunita Ramchiary | F | 37 | IX |
| 10 | Laika Das | F | 64 | Illiterate |
| 11 | Palu Daimary | F | 49 | Illiterate |
| 12 | Kamala Das | F | 30 | IX |
| 13 | Narmada Das | F | 25 | V |
| 14 | Pulisary Boro | F | | III |
| 15 | Rupshri Boro | F | 31 | Illiterate |
| 16 | Ripali Basumatary | F | 21 | 〃 |
| 17 | Laomuhi Daimary | F | 39 | Illiterate |
| 18 | Daboti Daimary | F | 22 | X |
| 19 | Nomi Das | F | 41 | Illiterate |
| 20 | Sibeni Das | F | 25 | Illiterate |
| 21 | Maishri Boro | F | 35 | IX |
| 22 | Anima Das | F | 49 | V |
| 23 | Ajali Daimary | F | 35 | VIII |
| 24 | Dipali Basumatary | F | 20 | VI |
| 25 | Nirmoli Basumatary | F | 20 | X |
| 26 | Rwmwi Daimary | F | 21 | X |
| 27 | Binu Boro Daimary | F | 25 | H.S.L.C. |
| 28 | Kamali Daimary | F | 36 | Illiterate |
| 29 | Thelet Basumatary | F | | Illiterate |
| 30 | Rombha Daimary | F | 20 | VII |
| 31 | Mina Bala Raimary | F | 39 | Illiterate |
| 32 | Kokaila Das | F | 45 | Illiterate |
| 33 | Auima Das | F | 45 | II |
| 34 | Pratima Das | F | 44 | Illiterate |

Shekhar Rabhaby
13-5-17
[illegible] Development Committee

Tapan Bargoyary
13-5-2017
Secretary
Katjhar-Jalimaaura EDC
Development Committee

# পৰিশিষ্ট VI (নথি I)

## তালিকা-১ ঃ ই ডি চিৰ মূল তথ্য

| ক্ৰমিক নং | ইডিচিৰ নাম | গঠনৰ তাৰিখ | কাৰ্যকৰী সদস্যৰ সংখ্যা | সভাপতিৰ নাম | সদস্য সচিবৰ নাম | গাঁও উন্নয়ন নিধিৰ ধন | প্ৰতি পৰিয়াল বা ব্যক্তিৰ বৰঙণি | সামাজিক বেৰ হয়/নহয় | লক্ষ্য প্ৰাপ্তি সম্পৰ্কে মন্তব্য | শ্ৰেণী নিৰ্ধাৰণ আৰু আৰ এফ অ'ৰ দ্বাৰা জে এফ এম চিৰ সফলতাৰ % হাৰ |
|---|---|---|---|---|---|---|---|---|---|---|
| ১ | কাটাঝাৰ | ২০১৪ | ১৬ | শেখৰ ৰামচিয়াৰী | তপন বৰগয়াৰি | - | - | - | - | — |

## তালিকা-২ ঃ প্ৰকল্প গাঁৱৰ জনগাঁথনিৰ অৱস্থা

| গাঁৱৰ নাম | পৰিয়ালৰ সংখ্যা | মুঠ | এছ টি | | অ' বি চি | | এছ চি | | পুৰুষ মহিলাৰ অনুপাত | গড়ে পৰিয়ালৰ জোখ (প্ৰায়) |
|---|---|---|---|---|---|---|---|---|---|---|
| | | | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | | |
| কাটাঝাৰ | ৫১ | ২৩২ | ৮৪ | ৮৬ | ৩০ | ৩২ | - | - | ১০৩৫ | ৫ |
| মুঠ | ৫১ | ২৩২ | ৮৪ | ৮৬ | ৩০ | ৩২ | - | - | ১০৩৫ | ৫ |

উৎস ঃ ক্ষেত্ৰ জৰীপ প্ৰতিবেদন

## তালিকা- ৩ ঃ ভূমি ধাৰণৰ ভিত্তিত গাঁৱৰ কৃষকসকলৰ শ্ৰেণী বিভাগ

| ক্ৰমিক নং | গাঁৱৰ নাম | ভূমি ধাৰণ অনুযায়ী কৃষকৰ শ্ৰেণী বিভাগ | | | | মুঠ |
|---|---|---|---|---|---|---|
| | | বৃহৎ কৃষক >১০হেক্টৰ | ক্ষুদ্ৰ কৃষক ২-১০হেক্টৰ | উপান্ত কৃষক <২ হেক্টৰ | ভূমিহীন পৰিয়াল | |
| ১ | কাটাঝাৰ | - | ২ | ৮ | ৪১ | ৫১ |
| | মুঠ | - | ২ | ৮ | ৪১ | ৫১ |

## তালিকা- ৪ ঃ পশুধনৰ সংখ্যা

| ক্ৰমিক নং | গাঁৱৰ নাম | গাঁও ভিত্তিক পশুধনৰ সংখ্যা | | | | | | | মুঠ |
|---|---|---|---|---|---|---|---|---|---|
| | | গৰু | ম'হ | ছাগলী | হাঁহ | কুকুৰা | গাহঁৰি | অন্যান্য | |
| ১ | কাটাঝাৰ | ১৫৩ | ১২০ | ২০০ | ২০০ | ৪০০ | ৫০ | - | ১১২৩ |
| মুঠ | | ১৫৩ | ১২০ | ২০০ | ২০০ | ৪০০ | ৫০ | - | ১১২৩ |

## তালিকা- ৫ ঃ গাঁও ভিত্তিক আন্তঃগাঁথনি

| ক্ৰমিক নং | আন্তঃগাঁথনি | অৱস্থিতি | গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰ) |
|---|---|---|---|
| ১ | বাছ আস্থান | ৰূপহী | ৩ কিঃমিঃ |
| ২ | বিদ্যুৎ | শালবাৰী | ৫ কিঃমিঃ |
| ৩ | গেছ সংযোগ | শালবাৰী | ৫ কিঃমিঃ |
| ৪ | প্ৰাথমিক চিকিৎসা কেন্দ্ৰ | শালবাৰী | ৫ কিঃমিঃ |
| ৫ | প্ৰাথমিক বিদ্যালয় | কাটাঝাৰ | ভিতৰত |
| ৬ | মাধ্যমিক বিদ্যালয় | ৰূপহী | ৩ কিঃমিঃ |
| ৭ | ডাকঘৰ | ৰূপহী | ৩ কিঃমিঃ |
| ৮ | উচ্চ বিদ্যালয় | শালবাৰী | ৫ কিঃমিঃ |
| ৯ | বেংক | (শালবাৰী) এছ বি আই | ৫ কিঃমিঃ |
| ১০ | অংগনৱাড়ী কেন্দ্ৰ | ৰাজাবিল | ১ কিঃমিঃ |
| ১১ | বনাঞ্চলিক (ৰেঞ্জ) অফিছ | বাঁহবাৰী | ৭ কিঃমিঃ |
| ১২ | বনাঞ্চলিক কাৰ্যালয় (বিট) | নতুন শিৱিৰ | ২০ কিঃমিঃ |
| ১৩ | ৰে'ল ষ্টেচন | সৰুপেটা | ৭ কিঃমিঃ |
| ১৪ | মহাবিদ্যালয় | শালবাৰী | ৫ কিঃমিঃ |
| ১৫ | আৰক্ষী চকী | শালবাৰী | ৫ কিঃমিঃ |
| ১৬ | সাপ্তাহিক বজাৰ | শালবাৰী | ৫ কিঃমিঃ |
| ১৭ | ভি চি ডি চি | ঘোঁৰামৰা | ২ কিঃমিঃ |

## তালিকা- ৬ ঃ কৃষিজাত শস্য

| | বৰ্ষা নিৰ্ভৰ | | জলসিঞ্চন | |
|---|---|---|---|---|
| | শস্যৰ নাম | হেক্টৰ হিচাপত এলেকা | শস্যৰ নাম | হেক্টৰ হিচাপত এলেকা |
| খাৰিফ | ধান (আইজং, পংকজ) বাচমতী, ৰঞ্জিত | ৩৩.৩৩ হেক্টৰ | - | - |
| ৰবি শস্য | জলকীয়া, মূলা, আলু | ২ হেক্টৰ | - | - |
| অন্যান্য | নেমু, | ২ হেক্টৰ | | |
| | তামোল | ১৫ হেক্টৰ | | |

## তালিকা- ৭ ঃ কাটাঝাৰ ই ডি চিৰ শস্য উৎপাদন ৰূপৰেখা

| শস্যৰ প্ৰকাৰ | মুঠ উৎপাদন (আনুমানিক) কুইণ্টল | উৎপাদন কৰা পৰিয়ালৰ সংখ্যা | গড় উৎপাদন (প্ৰতি হেক্টৰ/কুইণ্টল) আনুমানিক | শস্য উৎপন্ন অঞ্চল (হেক্টৰ) আনুমানিক |
|---|---|---|---|---|
| ধান | ১০০০ কুইণ্টল | ১০ | ৩০ | ৩৩.৩৩ |
| শাক-পাচলি | ৭.৫ কুইণ্টল | ২৪ | ৩.৭৫ | ২ |
| নেমু | ১২ কুইণ্টল | ৩৫ | ১৮.৭৫ | ২ |
| তামোল | ১৫০ কুইণ্টল | ৯৫ | ১০ | ১৫ |

## তালিকা- ৮ ঃ পশুখাদ্যৰ পৰ্যাপ্ততা

| | ১-৩ মাহ | ৩-৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| শস্যৰ অৱশিষ্ট | X | ✓ | X |
| ঘৰুৱা খাদ্য | X | X | ✓ |
| সেউজীয়া খাদ্য | X | X | ✓ |
| বনাঞ্চলত চাৰণ | X | ✓ | X |

## তালিকা- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থান

| ক্ৰয়ৰ বাবে | অৱস্থান | যদি অন্য গাঁৱত, গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰ) |
|---|---|---|
| গেলামালৰ দোকান | ৰূপহী | ৩ কিঃমিঃ |
| সাপ্তাহিক বজাৰ | শালবাৰী | ৫ কিঃমিঃ |
| প্ৰধান বজাৰ | ৰূপহী | ৩ কিঃমিঃ |

## তালিকা- ১০ ঃ জলসম্পদ সম্পদৰ ব্যৱস্থা

| জলৰ উৎস | সংখ্যা | পানীৰ পৰ্যাপ্ততা (উপযুক্ততা, ঋতুকালীন) | ব্যৱহাৰ (খোৱাৰ বাবে, জলসিঞ্চন, গা ধোৱা) |
|---|---|---|---|
| নৈ-নিজৰা | ১ | ঋতুকালীন | জলসিঞ্চন |
| নলীনাদ | ৩ | ঋতুকালীন | - |
| কুঁৱা | ১ | ঋতুকালীন | খোৱা-গা ধোৱা |
| পুখুৰী | ১ | ঋতুকালীন | গা ধোৱা |

## তালিকা- ১১ ঃ শক্তিৰ ব্যৱহাৰ

| ইন্ধনৰ প্ৰকাৰ | নিৰ্ভৰশীল পৰিয়ালৰ সংখ্যা | নিৰ্ভৰশীল মাহৰ সংখ্যা | উৎস (স্থানীয় গাঁও, বন, অন্যান্য উৎস) | মুখ্য / গৌণ |
|---|---|---|---|---|
| কাঠখৰি | ৫১ পৰিয়াল | ১২ মাহ | ঘৰৰ / বনাঞ্চল | মুখ্য |
| কেৰাচিন | ৮০ পৰিয়াল | ১২ মাহ | মুকলি বজাৰ | গৌণ |
| ৰন্ধন গেছ | ৪ পৰিয়াল | ১২ মাহ | এজেন্সি | গৌণ |
| ইলেক্ট্ৰিক হিটাৰ | - | - | - | - |

## তথ্য-II

# জীৱিকাৰ সুযোগ বিশ্লেষণ

## তালিকা- ১২ ঃ কৃষি আৰু উদ্যান শস্য

**তালিকা- ১২ ঃ কৃষি আৰু উদ্যান শস্য স্থিতি দেখুওৱা হৈছে**

| বিষয়বস্তু | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| কম উৎপাদন | ▪ বেৰাৰ অভাৱ, যিটো অতি গুৰুত্বপূৰ্ণ<br>▪ সাৰ, পোক-পটংগ নাশক, কীটনাশক আদিৰ নিচেই কম প্ৰয়োগ<br>▪ জলসিঞ্চনৰ ব্যৱস্থাৰ অভাৱ<br>▪ কৃষি আন্তঃগাঁথনি, আধুনিক সা-সঁজুলি আৰু যন্ত্ৰপাতি, যেনে, ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰ অভাৱ।<br>▪ অধিক ফচল উৎপাদন হোৱা বীজ ব্যৱহাৰ কৰা নহয়। | ▪ জৈৱ-ফেন্সিং ব্যৱস্থাৰ পৰিচয়<br>▪ নতুন আৰু আধুনিক প্ৰযুক্তিৰ পৰিচয়<br>▪ সুচিন্তিত প্ৰশিক্ষণ কাৰ্যসূচী, গাওঁবাসী দক্ষ, দক্ষতাৰ অধিক বিকাশ<br>▪ অধিক ফচল উৎপাদন হোৱা বীজ ব্যৱহাৰৰ কাৰ্যসূচী | ▪ ট্ৰেক্টৰৰ চলোৱাৰ প্ৰশিক্ষণ<br>▪ কৃষিদক্ষতা বৃদ্ধিৰ কাৰ্যসূচী<br>▪ পোক-পতংগ নিধন, কীটনাশকৰ ব্যৱহাৰ, বৰ্ণসংকৰ খেতি প্ৰশিক্ষণ কাৰ্যসূচী |
| ভঁৰাল আৰু উৎপাদন | ▪ সাধাৰণভাৱে ব্যৱহাৰযোগ্য ভঁৰালৰ অভাৱ।<br>▪ বৈদ্যুতিকৰণ নোহোৱাৰ বাবে শীতল গৃহৰ অভাৱ। | ▪ বিক্ৰী নোহোৱা সামগ্ৰী দীৰ্ঘকাললৈ সংৰক্ষণ<br>▪ নিজৰ উৎপাদন সংৰক্ষণ কৰি চাহিদাৰ সময়ত বিক্ৰী কৰিব পাৰিব | পেকেজিং পৰিবহণ আৰু বিতৰণ |
| বিপণন | ▪ সামগ্ৰী সৰবৰাহ কৰাৰ বাবে উপযুক্ত পৰিবহণ ব্যৱস্থাৰ অভাৱ। | ▪ সুচল পৰিবহণ ব্যৱস্থা বজাৰ সংযোগত সহায় কৰিব | ক্ৰেতা-বিক্ৰেতাৰ বৈঠক |

## তালিকা- ১৩ ঃ পশুধন

| প্ৰতিবন্ধকতা | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| ঘাঁহনি কম | ▪ প্ৰযোজ্য নহয় | | - |
| কেঁচা সামগ্ৰীৰ উপলব্ধতা | ▪ দুৰ্বল আৰ্থিক অৱস্থাৰ বাবে বজাৰৰ পৰা পশুখাদ্য কিনাত অসমৰ্থ। সেউজ পশুখাদ্য গোটেই বছৰ উপলব্ধ নহয়। | ▪ পশুপালনৰে উপাৰ্জন বৃদ্ধি।<br>▪ পশুখাদ্য সহজে যদি পোৱা যায়, তেন্তে ইয়াক গাওঁবাসীয়ে বিকল্প উপাৰ্জন হিচাপে ল'ব পাৰে। | |
| পশুধনৰ যত্নৰ ব্যৱস্থা | ▪ পশুচিকিৎসা কেন্দ্ৰ নাই<br>▪ পশুপালনৰ উপযুক্ত জ্ঞান নাই | ▪ ৰোগ নিয়ন্ত্ৰণ<br>▪ পশুধনৰ আয়ুস বৃদ্ধি<br>▪ পশুপালনৰ প্ৰতি আগ্ৰহ সৃষ্টি | |
| দুগ্ধ উৎপাদন আৰু দুগ্ধজাত সামগ্ৰী | ▪ দুগ্ধ উৎপাদনৰ বাবে পশুপালনৰ বিজ্ঞানসন্মত জ্ঞান নাই | ▪ দুগ্ধ উৎপাদনৰ বৃদ্ধিৰ বাবে দুগ্ধ উৎপাদনৰ প্ৰশিক্ষণ<br>▪ দুগ্ধ উৎপাদনৰ বৃদ্ধিৰ বাবে মিল্ক বুষ্টাৰ, মিল্কপ্লাছ আদি ছাপ্লিমেণ্ট | |
| দুগ্ধ বজাৰ | ▪ গাখীৰৰ পোনপটীয়া বজাৰৰ যোগাযোগ নাই<br>▪ বিভিন্ন দুগ্ধজাত সামগ্ৰীৰ বজাৰ চাহিদাৰ বিষয়ে অসচেতন | ▪ গাখীৰৰ বজাৰ বৃহৎ চাহিদা | |

## তালিকা- ১৪ ঃ এন ডব্লিউ এফ পি

| প্ৰতিবন্ধকতা | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| ন্যুনতম সংগ্ৰহ | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় |
| অবহনক্ষম আহৰণ | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় |
| কম হাৰ | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় |
| মূল্য সংযোগ | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় | ▪ প্ৰযোজ্য নহয় |

Field Director Manas Tiger Project ★ Barpeta Road,Assam ★

## তালিকা- ১৫ ঃ বিশেষ দক্ষতা (হস্তত াঁত)

| প্ৰতিবন্ধকতা | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| কেঁচা মালৰ উপলব্ধতা | ▪ ওচৰৰ বজাৰ (৭ কিঃমিঃ)ত কেঁচামালৰ অভাৱ<br>▪ গুদাম নাই | ▪ কেঁচামাল সংৰক্ষণৰ বাবে উমৈহতীয়া ঠাই | ▪ কেঁচামালৰ বেংক স্থাপন |
| উৎপাদিত সামগ্ৰীৰ গুণগত মান | ▪ উচ্চ গুণৰ সামগ্ৰীৰ অভাৱ।<br>▪ পৰম্পৰাগত যন্ত্ৰৰ ব্যৱহাৰ | ▪ নতুন বজাৰ সম্প্ৰসাৰণৰ বাবে উৎপাদিত সামগ্ৰীৰ মান উন্নতি | ▪ আধুনিক সা-সৰঞ্জামৰ প্ৰশিক্ষণ<br>▪ গাঁওবাসীক আধুনিক প্ৰযুক্তিৰ সুবিধা দিয়া |
| বিপণন সম্ভাৱনা | ▪ কোনো উন্নত বজাৰ নাই<br>▪ কোনো মূল্য নিৰ্ধাৰণ নীতি নাই<br>▪ প্ৰতিষ্ঠানিক ক্ৰেতাৰ সৈতে যোগাযোগ নাই<br>▪ নতুন উৎপাদনৰ বিকাশ অথবা উৎপাদন বিভিন্নতা নাই | ▪ ভিন্নমুখী উৎপাদনেৰে নতুন বজাৰ সম্প্ৰসাৰণ | ▪ প্ৰাতিষ্ঠানিক বিক্ৰেতাৰ দ্বাৰা উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণত বিক্ৰীৰ ব্যৱস্থা |
| ঋণৰ ব্যৱস্থা | ▪ বেংক, ডাকঘৰ ছেভিংছ বেংকৰ সৈতে কোনো সংযোগ নাই<br>▪ বেংক আৰু চৰকাৰৰ উন্নয়ন আঁচনিৰ বিষয়ে অসচেতন | ▪ চৰকাৰৰ বিত্তীয় সাহায্য<br>▪ ঋণৰ সহজ ব্যৱস্থা | ▪ মাইক্ৰ' ফাইনান্স, টাৰ্ম লোন, কামৰ পুঁজিৰ ব্যৱস্থা |
| উৎপাদনৰ বিভিন্নতা | ▪ নতুন উৎপাদনৰ বিকাশ অথবা উৎপাদন বিভিন্নতা নাই<br>▪ উৎপাদনৰ বিভিন্নতাৰ ধাৰণানাই | ▪ আধুনিক বজাৰ অনুযায়ী চাহিদাভিত্তিক উৎপাদনৰ বিকাশ | ▪দক্ষতাবিকাশ আৰু নতুন উৎপাদনৰ বিকাশ, বিভিন্নতাৰ প্ৰশিক্ষণ |

## তালিকা- ১৬ ঃ ঋণৰ ব্যৱস্থা

| প্ৰতিবন্ধকতা | কাৰণসমূহ | সুযোগ সমূহ |
|---|---|---|
| ঋণ | ▪ নাই | ▪ আধুনিক বিত্তীয় প্ৰতিষ্ঠান গঠন |
| সুদৰ হাৰ | ▪ব্যক্তিগত ঋণদাতাৰ উচ্চ হাৰত সুদৰ দাবী। | ▪ ৰেহাইত ধাৰৰ ব্যৱস্থা |
| ঋণৰ উপলব্ধতা | ▪ ঋণৰ বোজা ল'বলৈ ভয়।<br>▪ তথ্যপাতি সন্দৰ্ভত জ্ঞানৰ অভাৱ | ▪ ক্ষুদ্ৰ উদ্যমৰ পদক্ষেপ |
| বন্ধকৰ অসুবিধাসমূহ | ▪ বন্ধকত থোৱা সম্পত্তিৰ উপযুক্ত তথ্যৰ অভাৱ। | ▪ তথ্যপাতি সন্দৰ্ভত অঞ্চলজুৰি সজাগতা |



Field Director Manas Tiger Project
Barpeta Road,Assam